**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-01-2026**
**Time : 21-25 Hrs.**

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

৫ ফেব্ৰুৱাৰীৰ ভিতৰত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলধন বিতৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ডিফুত আজি ২৫ হাজাৰ মহিলাৰ মাজত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কাইলৈ চিৰাং জিলাৰ বিজনীৰ বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। প্ৰায় ২০ হাজাৰ হিতাধিকাৰীক কাইলৈ চেক বিতৰণ কৰা হ'ব বুলি চিৰাং জিলা প্ৰশাসনৰ উদ্ধৃতিৰে আমাৰ সংবাদদাতাই জনাইছে।

০০০০

অসমীয়াৰ বাপতি সাহোন ভোগালী বিহু উপলক্ষে সমগ্ৰ ৰাজ্যতে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া-অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত উলহ-মালহেৰে ভোগালী বিহু উদযাপন কৰাৰ বাতৰি আমালৈ আহি আছে। মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে ৰাজ্যৰ মঠ-মন্দিৰসমূহত ভক্তৰ ভিৰ পৰিলক্ষিত হয়।

গোৱালপাৰা চহৰৰ শাস্ত্ৰী নগৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ভোগালী বিহু উদযাপন কৰা হৈছে।

**ধুবুৰী** জিলাতো ভোগালী বিহুক লৈ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। গোলকগঞ্জৰ ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশালত সদৌ ধুবুৰী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ভোগালী বিহু উদযাপন কৰা হয়। প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰে মেজি জ্বলাই ৰাইজক বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে।

**নলবাৰী** জিলাৰ বিভিন্ন প্ৰান্তত পুৱা মেজি জ্বলোৱাৰ পাছত বৰ্ণাঢ্য কাৰ্যসূচীৰে ভোগালী বিহু উদযাপন কৰা হয়। উলাবৰি প্ৰগতি শিল্পী সংঘৰ উদ্যোগত বিভিন্ন পৰম্পৰাগত খেল-ধেমালি অনুষ্ঠিত কৰা হয়। ভোগালী বিহু আৰু মাঘৰ সংক্ৰান্তি উপলক্ষে জিলাখনৰ বাৰঘৰীয়া বাৰগোপাল মন্দিৰ, থেঁঠাগোহাঁইৰ থানত ভক্তৰ ভিৰ পৰিলক্ষিত হয়।

**চিৰাং** জিলাতো ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ পৰিলক্ষিত হৈছে। বিজনী ছোৱালী হাইস্কুল খেলপথাৰত ৰঙালী বিহু উদযাপন সমিতিৰ উদ্যোগত মেজি জ্বলোৱা হয়।

**নগাঁও** জিলাৰ নেহৰুবালিত আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে ১১৩ সংখ্যক ভোগালী বিহু উৎসৱৰ আয়োজন কৰা হৈছে। মেজি জ্বলোৱাৰ পাছত বিহুৰ সৈতে সংগতি ৰাখি গ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰ লগতে জ্যেষ্ঠ নাগৰিকসকলক উদযাপন সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে।

ৰাজ্যৰ অন্য জিলাসমূহৰ দৰে **শিৱসাগৰ**তো পৰম্পৰাগতভাৱে মেজি জ্বলোৱা হয়। শিৱসাগৰৰ আৰক্ষী ছাউনীত কৰ্তব্যৰত আৰক্ষীসকলে মেজি জ্বলাই অগ্নি দেৱতাৰ আশিস লয়। লালিমগাঁৱত বিধায়ক অখিল গগৈয়ে ৰাইজৰ সৈতে ভোগালী বিহুৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

**বৰপেটা** জিলাত আজিৰে পৰা সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে বিহু পালন কৰা হৈছে। বৰপেটা আৰু ইয়াৰ সমীপৱৰ্তী স্থানসমূহত আজি উৰুকা তথা স্থানীয় ভাষাত **গাতা ৰখা** উদযাপন কৰা হৈছে। জিলাখনত কাইলৈ অৰ্থাৎ পহিলা মাঘত মেজি জ্বলোৱা হ'ব। কাইলৈ বৰপেটা সত্ৰৰ টুপৰ চোতালত ভকতসকলে সজা মেজিত অগ্নিসংযোগ কৰাৰ পাছতহে সত্ৰৰ বাহিৰৰ স্থানসমূহত সজা মেজি জ্বলোৱা হ'ব।

ooooo

অসমৰ প্ৰতিথযথা সাংবাদিক, বিশিষ্ট লেখক, প্ৰান্তিক আলোচনীৰ সম্পাদক প্ৰদীপ বৰুৱাৰ আজি গুৱাহাটীৰ ডাউন টাউন হাস্পতালত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁৰ বয়স হৈছিল ৮৭ বছৰ। ১৯৩৮ চনত ডিব্ৰুগড়ত জন্মলাভ কৰা প্ৰদীপ বৰুৱাই গুৱাহাটীৰ ডনবস্কো বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰে আৰু কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ কণিষ্ঠ পুত্ৰ বৰুৱাই পিতৃৰ সৈতে ত্ৰিবিউন গোষ্ঠী আৰু সাহিত্য প্ৰকাশনৰ সৈতে জড়িত হৈছিল। ১৯৮১ চনৰ পহিলা ডিচেম্বৰৰ পৰা প্ৰখ্যাত সাহিত্যিক ভৱেন্দ্ৰ নাথ শইকীয়াৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা প্ৰান্তিক আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। মৃত্যুৰ সময়লৈকে তেওঁ প্ৰান্তিকৰ সম্পাদক আৰু প্ৰকাশক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। অসমীয়া সাহিত্য আৰু সাংবাদিকতালৈ আগবঢ়োৱা অৱদানৰ বাবে তেঁও বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য বঁটাকে প্ৰমুখ্য কৰি বহুকেইটা বঁটা লাভ কৰিছিল। ২০২৪ বৰ্ষত তেওঁলৈ অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক আৰু আৰ্থসামাজিক ন্যাসে অসম জাতীয় বিদ্যালয় সন্মান আগবঢ়োৱাৰ লগতে তেওঁৰ জীৱন ভিত্তিক তথ্য চিত্ৰ প্ৰান্তিক নিৰ্মাণ কৰিছিল। ২০১৮ চনত তেওঁৰ আত্মজীৱনী স্বগতোক্তি প্ৰকাশ পাইছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰবীন সাংবাদিকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ পত্নী মায়া বৰুৱা আৰু এগৰাকী কন্যাক ইহসংসাৰত এৰি থৈ যায়।

কাইলৈ পুৱা চাৰে আঠ বজাত চিকিৎসালয়ৰ পৰা বৰুৱাৰ নশ্বৰ দেহ বাসভৱনলৈ অনা হ'ব। কাইলৈ পুৱা ১১ বজাত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

ooooo

ভাৰতে ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত - তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত নিউজিলেণ্ডক জয়ৰ বাবে ২৮৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭ টা উইকেট হেৰুৱাই ২৮৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কে এল

ৰাহুলে সৰ্বাধিক ১১২ ৰান সংগ্ৰহ কৰে। অধিনায়ক শুভমন গীলে ৫৬ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ কেডি ক্লাৰ্কে ৩ টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ৪৬ অভাৰত ৩ টা উইকেটৰ বিনিময়ত ২৭৪ ৰান সংগ্ৰহ কৰি খেলি আছিল।

ভাৰতে যোৱা দেওবাৰে বদোদৰাত অনুষ্ঠিত প্ৰথমখন খেলত নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অহা দেওবাৰে ইন্দোৰত অনুষ্ঠিত হ’ব।

ooooo

ঃঃ সমাপ্ত ঃঃ